১৯৫১চন

২৩ ফেব্ৰুৱাৰী

চন্দ্ৰসিং মানিভাই আৰু অন্যান্য

বনাম

সুৰজিত্ লাল লাধামাল ছান্দা আৰু অন্যান্য

[ন্যায়াধীশসকল- পটঞ্জলি শাস্ত্ৰী, মেহৰ ছান্দ মহাজন আৰু মুখাৰ্জী]

*দ্যা বম্বে ৰেন্টচ, হোটেল এণ্ড লজিং হাউচ ৰেটচ কন্টোল এক্ট (বম্বে ভাড়াঘৰ, হোটেল আৰু লজিং হাউচৰ ভাৰা নিয়ন্ত্ৰণ আইন) (১৯৪৭ চনৰ LVII নং আইন)-ৰ ধাৰা নং ১২, ৫০- আইন বলৱৎ হোৱাত বিচাৰাধীন আপীলত আইনৰ প্ৰয়োগ- আইনৰ ৰেট্ৰস্পেক্টিভ (আগৰ তাৰিখৰ পৰা বলৱৎ হোৱা) প্ৰভাৱ আৰু আইনখনৰ পৰিষৰ- ধাৰা নং ১২, ৫০-ৰ গঠন।*

১৯৪৭চনৰ ১৩ফেব্ৰুৱাৰীৰ পৰা বলৱৎ হোৱা *দ্যা বম্বে ৰেন্টচ, হোটেল এণ্ড লজিং হাউচ ৰেটচ কন্টোল এক্ট* (১৯৪৭ চনৰ LVII নং আইন)-ৰ আইনখন, বলৱৎ হোৱাৰ সময়ৰ বিচাৰাধীন আপীলসমূহত প্ৰযোজ্য নহ'ব। এই আইনৰ ৰেট্ৰস্পেক্টিভ (আগৰ তাৰিখৰ পৰা বলৱৎ হোৱা) প্ৰভাৱ আইনখনৰ ৫০নং ধাৰাৰ অধীনৰ বিষয়সমূহতে সীমাবদ্ধ, অৰ্থাৎ যিবোৰ গোচৰ আৰু বিচাৰপ্ৰক্ৰিয়া আইনখনৰ অধীনত ক্ষেত্ৰাধিকাৰ থকা আদালতসমূহলৈ এই ধাৰাৰ অধীনত হস্তান্তৰ কৰা হৈছে।

উক্ত আইনখনৰ ১২নং ধাৰা প্ৰস্পেক্টিভ (সাম্ভাব্য প্ৰভাৱ থকা) হয় আৰু ৰেট্ৰস্পেক্টিভ (আগৰ তাৰিখৰ পৰা বলৱৎ হোৱা) প্ৰভাৱ থকা নহয়। উপ-ধাৰা(২) আইনখন বলৱৎ হোৱাৰ পিছত ৰুজু কৰা গোচৰৰ সৈতে জড়িত হ'ব আৰু উপ-ধাৰা(৩)-ও এনে গোচৰৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

*নীলকান্ত বনাম ৰসিকলাল* (এ.আই.আৰ. ১৯৪৯ বম্বে ২১০) অনুমোদন প্ৰাপ্ত।

**দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ**- ১৯৪৫চনৰ ১৭৪নং গোচৰত, ১৯৪৭চনৰ ১৪অক্টোবৰৰ আহমেদাবাদৰ যুটীয়া দেৱানী ন্যায়াধীশৰ ৰায়দানৰ বিপৰীতে কৰা ১৯৪৭চনৰ ৩৬৫নং আপীলত, বোম্বাইৰ উচ্চন্যায়ালয়ৰ ১৯৪৮চনৰ ১এপ্ৰিলৰ ৰায় আৰু ডিক্ৰী(আদেশ)-ৰ ওপৰত আপীল আবেদন(দেৱানী আপীল নং ৫৭, ১৯৫০)।

বি. সোমায়া (জিন্দ্রা লালৰ সৈতে) আপীলকাৰীসকলৰ পক্ষত।

চি. কে. ডাফটাৰী (শ্ৰী নাৰায়ণ এণ্ডলিৰ সৈতে) উত্তৰদাতাসকলৰ পক্ষত।

১৯৫১চনৰ ২৩ফেব্ৰুৱাৰীত আদালতৰ ৰায়দান কৰে এনেদৰে-

**ন্যায়াধীশ মহাজন**- আপিলকাৰীসকল আহমদাবাদৰ "ভাৰত ভূৱন থিয়েটাৰ" নামৰ এক সম্পত্তিৰ মালিক। উত্তৰদাতাসকল এই থিয়েটাৰৰ লেচী (ভাৰা লওঁতা)। উক্ত লীজ(ভাৰাঘৰৰ চুক্তি)-ৰ ম্যাদ ২তাৰিখে শেষ হোৱাৰ চৰ্ত এইয়ে আছিল যে, লেচীসকলে দুবছৰৰ বাবে লীজ নবীকৰণৰ বিকল্প ব্যৱহাৰ কৰাৰ উদ্দেশ্য মালিকসকলক তিনিমাহৰ আগতেই লিখিত জাননী দিব। ১৯৪৫চনৰ ডিচেম্বৰ মাহৰ ১৩তাৰিখে আপীলকাৰীসকলে দাখিল কৰা গোচৰৰ ভিত্তিত উত্তৰদাতাক উচ্ছেদ লগতে কিছু ধন আদায়ৰ বাবে এই আপীল আবেদনৰ উত্থাপন হয়। ১৯৪৭চনৰ ১৪অক্টোবৰত এই গোচৰৰ তলত উল্লেখ কৰা ডিক্ৰী দিয়া হয় এনেধৰণে- (১)লীজত থকা নিয়ম অনুসৰি লীজৰ নবীকৰণৰ বিকল্প উত্তৰদাতাসকলে ব্যৱহাৰ কৰা নাছিল, (২)তেওঁলোকে লীজৰ চৰ্ত উলংঘা কৰিছে আৰু (৩)ৰেন্ট ৰেচট্ৰিকচন এক্ট(ভাড়া নিষেধাজ্ঞা আইন) অনুসৰি তেওঁলোক সুৰক্ষিত নহয়। তাৰোপৰি *মেনছে প্ৰফিত*(অন্যায়ভাৱে ভোগকৰা লাভ)-ৰ পৰিমাণৰ ওপৰত তদন্তৰ নিৰ্দেশ কৰা হ'ল। তাৰপাছত, উত্তৰদাতাসকলে ১৯৪৭-ৰ ১০নৱেম্বৰত যুটীয়া দেৱানী ন্যায়াধীশৰ ডিক্ৰীৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আপীল আবেদন দাখিল কৰে। আবেদনখনৰ শুনানি গ্ৰহণ কৰে- ১৯৪৮চনৰ ২৬ফেব্ৰুৱাৰীত উচ্চ ন্যায়ালয়ৰ (ন্যায়াধীশ ৱেষ্টন আৰু ন্যায়াধীশ দীক্ষিতৰ)এক বিচাৰপীঠে আৰু ১৯৪৮চনৰ ১এপ্ৰিলত সিদ্ধান্ত দিয়ে। এই সিদ্ধান্তত দেৱানী ন্যায়াধীশ দ্বয়ৰ ৰায় আৰু ডিক্ৰীৰ প্ৰতিকূল সিদ্ধান্ত দিয়া হৈছে আৰু বাদীৰ গোচৰ খাৰিজ কৰা হৈছে। উচ্চ ন্যায়ালয়ে প্ৰথমে বিচাৰ আদালতৰ তথ্যৰ সমৰ্থন কৰে লগতে সহমত দিয়ে যে, লীজৰ ৪(২)দফা অনুসৰি উত্তৰদাতাসকলে প্ৰমাণ কৰা নাছিল যে, তেওঁলোকে প্ৰয়োজন অনুসৰি লীজৰ নবীকৰণৰ বাবে আপীলকাৰীসকলক তিনি মাহৰ পূৰ্বে লিখিতভাৱে জাননী দিছিল। এই তথ্যই বিচাৰ আদালতৰ ন্যায়াধীশৰ এই যুক্তিত প্ৰতিকূল সিদ্ধান্ত দিয়ে যে, উত্তৰদাতাসকলে লীজৰ দফা নং ২(২০)-ত উল্লেখ কৰা চৰ্ত উলংঘা কৰিছিল। অৱশেষত এই সিদ্ধান্তত উপনীত হ'ল যে, আপীল কৰা ডিক্ৰীৰ সময় সঠিক আছিল যদিও, ১৯৪৭ চনৰ LVIIনং আইন কাৰ্য্যকৰী হোৱাৰ পৰা সৃষ্টি হোৱা পৰিৱৰ্তিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি

আপীলকাৰীসকল গোচৰত অন্তৰ্ভূক্ত চৌহদৰ ৰিকভাৰী অৱ পচেচন(দখল লাভৰ অধিকাৰী) নাছিল। উচ্চ ন্যায়ালয়ৰ ৰায়দানত ক্ষুব্ধ হৈ আপীলকাৰীসকলে এক প্ৰমাণ পত্ৰ লাভ কৰে আৰু এই বিষয়ত ১৯৪৯ চনৰ ৭ মাৰ্চত আদালতত আপীল দাখিল কৰে আৰু যি এতিয়া আমাৰ সন্মুখত বিচাৰাধীন হৈ আছে।

উচ্চ ন্যায়ালয়ৰ সন্মুখত উপস্থাপন কৰা হৈছিল যে, উক্ত আপীল পুনৰ শুনানিৰ প্ৰকৃতিৰ হোৱাৰ বাবে ১৩ ফেব্ৰুৱাৰীৰ পৰা বলৱৎ হোৱা ১৯৪৭ চনৰ আইন LVII-ৰ বিধান অনুসৰি সিদ্ধান্ত দিয়া হ'ব লাগে, কিন্তু বিচাৰ আদালত ডিক্ৰী গৃহীত হোৱাৰ সময়ত বলৱৎ থকা আইন অনুসৰি নহ'ব। অৰ্থাৎ যুক্তিটো আছিল এইয়ে যে, বিচাৰ আদালতত গৃহীত ডিক্ৰীৰ তাৰিখৰ পিছত আইনখনৰ পৰিৱৰ্তন হোৱাৰ বাবে আৰু আপীল শুনানি গ্ৰহণ কৰাৰ আগতেই, পক্ষসমূহৰ অধিকাৰ আপীলৰ শুনানিৰ তাৰিখত বলৱৎ থকা আইন অনুসৰি ঠিৰাং কৰিব লাগে। উচ্চ ন্যায়ালয় এই যুক্তিৰ সমৰ্থনত পদক্ষেপ ল'লে আৰু উত্তৰদাতাক উচ্ছেদৰ ডিক্ৰীটো বাতিল কৰিলে।

আপীলকাৰীৰ বিদ্বান অধিবক্তাই আদালতৰ সন্মুখত উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তক এই তিনিটা যুক্তিত প্ৰত্যাহ্বান জনাইছে: (১) ১৯৪৭চনৰ আইন নং LVII-ৰ অধীনত উচ্চ ন্যায়ালয়ৰ দ্বাৰা আপীলৰ সিদ্ধান্ত ল'ব লাগিব বুলি ধৰি ল'লে, ইয়াৰ পৰিসৰৰ পৰা বাদ দিয়া আপীলবোৰত এই আইনৰ বিধান কাৰ্য্যকৰী নহ'ব; (২) ১৯৪৭চনৰ LVII নং আইন, ১৯৪৯চনৰ বোম্বে আইন নং III-ৰ দ্বাৰা সংশোধন কৰা হৈছিল আৰু এই আদালতত ১৯৪৭চনৰ LVIIনং আইনৰ পৰিসৰৰ পৰা বাদ পৰা বিচাৰাধীন আপীলসমূহ সংশোধিত আইনখনৰ বিধানসমূহৰ দ্বাৰা ৰায় দিয়া হ'ব; আৰু (৩) উচ্চ ন্যায়ালয়ে লীজৰ ২(২)নং দফাৰ চৰ্তসমূহ উলংঘা কৰিছিল বুলি ভুলকৈ বিচাৰ আদালতৰ তথ্যৰ ৰিভাৰ্চদ্(প্ৰতিকূল) সিদ্ধান্ত দিছে। উত্তৰদাতাসকলৰ পক্ষত বিদ্বান অধিবক্তাই উত্থাপন কৰা যুক্তিৰ উপৰিও উপস্থাপন কৰিছিল যে, উল্লিখিত নিয়ম অনুসৰি উত্তৰদাতাসকলে লীজৰ নবীকৰণৰ বিকল্প ব্যৱহাৰ কৰিছিল বুলি প্ৰমাণ কৰা নাই বুলি ধৰি লোৱাত দুয়োখন আদালতে ভুল কৰিছিল।

আমাৰ মতত, আপীলৰ সিদ্ধান্ত ১৯৪৭চনৰ LVIIনং আইনৰ ধাৰা ১২ আৰু ৫০-ৰ গঠনত নিৰ্ভৰ কৰে। সিদ্ধান্ত উপনীত হ'বলগা প্ৰশ্নটো হ'ল এইয়ে যে, ১৯৪৮চনৰ ১৯জানুৱাৰীত ৰচিত আৰু ১৯৪৮চনৰ ১৩ফেব্ৰুৱাৰীত বলৱৎ হোৱা *দ্যা বম্বে ৰেন্টচ,*

*হোটেল এণ্ড লজিং হাউচ ৰেটচ কন্টোল এক্ট*-ৰ বিচাৰাধীন আপীলত প্ৰয়োগ অথবা ইয়াৰ ৰেট্ৰস্পেক্টিভ (আগৰ তাৰিখৰ পৰা বলৱৎ হোৱা)প্ৰভাৱ আইনখনৰ ৫০নং ধাৰাৰ অধীনৰ বিষয়সমূহতে সীমাবদ্ধ নেকি। নবীকৰণৰ বিকল্প নিয়ম অনুসৰি প্ৰয়োগ কৰা হৈছিল নেকি এই প্ৰশ্ন, লীজৰ সমান্তৰাল তথ্যৰ সন্ধানৰ দ্বাৰা সিদ্ধান্ত কৰা হয় আৰু মিষ্টাৰ ডাফথাৰীয়ে তেওঁ যুক্তিৰ সমৰ্থনত কোৱা একোৱেই সেই সিদ্ধান্তত প্ৰভাৱিত কৰা নাছিল। গোচৰটো সেয়েহে এই ধাৰণাৰে সিদ্ধান্ত ল'ব লাগিব যে, উত্তৰদাতাসকলে তেওঁলোকক দিয়া লীজৰ নবীকৰণৰ বিকল্পটো ব্যৱহাৰ কৰা নাছিল। আমিও আপীলকাৰীসকলক বিদ্বান অধিবক্তাৰ যুক্তিত সন্তুষ্ট হোৱা নাই এইবাবে যে, প্ৰতিবাদীসকলে লীজৰ চৰ্তৰ উলংঘা কৰিছিল বুলি উচ্চ ন্যায়ালয়ে ভুলকৈ বিচাৰ আদালতৰ ন্যায়াধীশৰ প্ৰতিকূল সিদ্ধান্ত দিছে। যদিও, সেই তথ্যৰ প্ৰতিকূল সিদ্ধান্ত দিয়া হৈছিল বাবেই উচ্চ ন্যায়ালয়ে দিয়া সকলো যুক্তি আমি সমৰ্থন কৰা উচিত নহয়।

উচ্চ ন্যায়ালয়ৰ এই যুক্তি সঠিক আছিল নেকি যে, ১৯৪৭চনৰ আইন নং LVII-ৰ বিধান, সেই আইনখন প্ৰণয়ন হোৱাৰ সময়ত বিচাৰাধীন হৈ থকা আপীলসমূহত প্ৰযোজ্য হ'ব; এই প্ৰশ্নৰ উত্তৰ ১৯৪৭চনৰ LVIIনং আইনৰ ১২ আৰু ৫০নং ধাৰাৰ গঠনৰ ওপৰত নিৰ্ভৰশীল। আইনৰ ধাৰা নং১২-ৰ চৰ্তসমূহ এনেধৰণৰ:

> "(১) ভাড়াতীয়াই ভাৰা আদায় দিয়া পৰ্য্যন্ত বা দিবলৈ সাজু আৰু ইচ্ছুক হোৱা পৰ্য্যন্ত, ঘৰৰ মালিকে কোনো চৌহদৰ দখলী মূল্যৰ পৰিমাণ আদায় কৰাৰ অধিকাৰী নহ'ব, মানক ভাড়া আৰু অনুমোদিত বৃদ্ধি, যদিহে আছে, আৰু ভাড়াৰ অন্যান্য চৰ্তসমূহ পালন কৰে, যিমান দূৰ সম্ভৱ এই আইনৰ বিধানসমূহৰ লগত সামঞ্জস্যপূৰ্ণ হয়।

(২) ১৮৮২চনৰ ট্ৰান্সফাৰ অৱ প্ৰপাৰ্টি এক্টৰ ধাৰা নং ১০৬-ত উল্লেখ কৰা ধৰণেৰে ভাড়াতীয়াক দিয়া মানক ভাড়াৰ দাবী বা অনুমোদিত বৃদ্ধিৰ লিখিত জাননী দিয়াৰ পৰা এমাহ উকলি যোৱালৈ মানক ভাড়া বা অনুমোদিত বৃদ্ধিৰ ধন পৰিশোধ নকৰাৰ ভিত্তিত মালিকে ভাড়াতীয়াৰ বিৰুদ্ধে দখল আদায়ৰ বাবে কোনো গোচৰ তৰিব নোৱাৰিব।

(৩) এনে কোনো গোচৰতে উচ্ছেদৰ কোনো ডিক্ৰী গৃহীত নহ'ব, যদিহে গোচৰৰ শুনানিৰ সময়ত, ভাড়াতীয়াই ভাৰা পৰিশোধ কৰে বা সেইসময়ৰ মানক ভাড়া বা অনুমোদিত নিবিদা, গোচৰৰ খৰচৰ সৈতে একেলগে বৃদ্ধি পায়।

ব্যাখ্যা- এই আইনৰ অধীনত প্ৰাপ্তি কৰিব পৰা মানক ভাড়া বা অনুমোদিত বৃদ্ধিৰ পৰিমাণলৈ যিকোনো ক্ষেত্ৰতে য'ত গোচৰ হয়, ভাড়াতীয়াজন তেনে ধন দিবলৈ সাজু আৰু ইচ্ছুক বুলি গণ্য কৰা হ'ব যদি, উপ-ধাৰা(২)ত উল্লেখ কৰা জাননীৰ পিছত এমাহৰ সময়সীমা শেষ হোৱাৰ আগতে তেওঁ ধাৰা ১১ৰ উপ-ধাৰা(৩)ৰ অধীনত আবেদন কৰে আৰু আদালতৰ নিৰ্দেশ অনুসৰি ধনৰাশি বা ভাড়া বা আদালতে দিয়া আদেশত নিৰ্দিষ্ট কৰা বৃদ্ধিৰ অনুমোদিত ধন পৰিশোধ কৰে।"

এইটোৱেই হৈছে ভাড়াতীয়াক বহিষ্কাৰৰ বিৰুদ্ধে সুৰক্ষা প্ৰদান কৰা চাবস্টেনটিভ(নিৰ্ধাৰক) ধাৰা। বিবিধ বিষয়ক IV অংশৰ ধাৰা নং ৫০ হ'ল- বাতিল কৰা অংশ। ইয়াত ১৯৩৯চনৰ আইন আৰু ১৯৪৪ চনৰ আইনখন বাতিল কৰা হৈছে, আৰু এই বিধিসমূহ বাতিল কৰাৰ সময়ত এনেধৰনে কোৱা হৈছে:-

"যদিহে সকলো গোচৰ আৰু বিচাৰ প্ৰক্ৰিয়াৰ [ইক্সেকিউচন প্ৰচিদিং (কাৰ্য্যকৰণৰ প্ৰক্ৰিয়া) আৰু আপীল ভিন্ন] ক্ষেত্ৰতে ঘৰৰ মালিক আৰু ভাড়াতীয়াৰ মাজৰ অংশ নং II-ৰ বিধান প্ৰযোজ্য ভাৰা আদায় বা ভাৰা নিৰ্ণয় বা যিকোনো চৌহদৰ দখল আৰু হোটেলৰ পৰিচালক বা লজিঙৰ মালিকৰ বিৰুদ্ধে দিয়া সকলো গোচৰৰ সৈতে জড়িত ভাড়াতীয়াৰ মূল্য আদায়ৰ বাবে, অংশ নং III অনুসৰি হোটেলত বা লজিঙ হাউচত প্ৰদান কৰা আৱাসৰ অধিকাৰ, যিবোৰ আদালতত বিচাৰাধীন হৈ আছে, *এই আইনৰ অধীনত এনে গোচৰ বা বিচাৰ প্ৰক্ৰিয়াৰ অধিকাৰ থকা আদালতলৈ বদলি হ'ব আৰু আগলৈ সেই আদালতত বিচাৰ অব্যাহত থাকিব; আৰু এই আইনৰ অধীনত নিৰ্মিত নিয়মসমূহ এনে সকলো গোচৰ আৰু বিচাৰ প্ৰক্ৰিয়াত প্ৰযোজ্য হ'ব৷*

তাৰোপৰি এইয়ে যে-

(ক) *দ্যা বম্বে ৰেন্টচ, হোটেল এণ্ড লজিং হাউচ ৰেটচ কন্ট্ৰোল এক্ট (১৯৪৪ চন)*-ৰ অংশ নং IV অধীনত গৃহীত প্ৰতিটো আদেশ বা আইন বা উক্ত অংশৰ অধীনত যিকোনো গৃহীত হ'বলগীয়া আদেশ বা আইন, আদেশ বা আইন এই বিধিৰ অধীনত গৃহীত হ'ব।

(খ) অংশ নং IV-ৰ অধীনত নিয়ন্ত্ৰকসকলৰ সন্মুখত বিচাৰাধীন সকলো বিচাৰপ্ৰক্ৰিয়া, এই আইনৰ অধীনত নিযুক্ত নিয়ন্ত্ৰকসকলক হস্তান্তৰ লগতে বিচাৰ যোগ্য হ'ব যেন গোচৰটো এই আইনৰ অধীনত নিযুক্ত নিয়ন্ত্ৰকসকলৰ আগত তৰা হৈছিল।

উচ্চ ন্যায়ালয়ে ৰায় দিছিল যে, ধাৰা নং ৫০-এ কেৱল আইনৰ অধীনত ক্ষেত্ৰাধিকাৰ থকা আদালতত বিচাৰাধীন গোচৰ আৰু বিচাৰ প্ৰক্ৰিয়াৰ হস্তান্তৰৰ শুনানিৰ ক্ষমতা প্ৰদান কৰিছে। আৰু, ইয়াৰ পৰিসৰৰ পৰা ইক্সেজকিউচন প্ৰচিদিং (কাৰ্য্যকৰীকৰণৰ প্ৰক্ৰিয়া আৰু আপীল বাদ দিয়া হৈছিল কাৰণ, এখন আদালতৰ পৰা আন এখন আদালতলৈ বদলি হোৱাৰ ক্ষেত্ৰত প্ৰশ্ন উত্থাপন নহয়, লগতে, আপীল আবেদন গোচৰৰ এক ধাৰাবাহিকতা আৰু পুনৰ শুনানিত ধাৰা নং ১২ৰ বিধানসমূহ বিচাৰাধীন আপীলৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব লাগে। *নীলকান্ত বনাম ৰসিকলাল*[1]-ত আইনখনৰ ধাৰা নং ১২ আৰু ৫০ৰ গঠনৰ ওপৰত প্ৰশ্ন উত্থাপন কৰা হৈছিল, আৰু বিষয়টো পূৰ্ণপীঠলৈ পঠিওৱা হৈছিল। ধাৰা নং ৫০ গঠনৰ ভিত্তিত খণ্ডপীঠে লোৱা সিদ্ধান্ত পূৰ্ণপীঠে বাতিল কৰিলে আৰু পূৰ্ণপীঠ মত দিয়ে যে, নতুন আইনখনৰ বিধান লগতে ইয়াৰ অধীনত নিৰ্মিত নিয়মসমূহৰ ক্ষেত্ৰত স্পষ্ট যে, কেৱল এই ধাৰাত হস্তান্তৰ কৰা গোচৰ আৰু বিচাৰ প্ৰক্ৰিয়াৰ ক্ষেত্ৰতহে এইবোৰ প্ৰযোজ্য হৈছে আৰু ধাৰা নং ৫০-এ স্পষ্ট ভাৱে কোৱা যুক্তিতেই ৰেট্ৰস্পেক্টিভ (আগৰ তাৰিখৰ পৰা বলৱৎ হোৱা)প্ৰভাৱ সীমাবদ্ধ। আমি পূৰ্ণবিচাৰপীঠে প্ৰকাশ কৰা মতৰ সহমতত আছো। ১২ আৰু ৫০ নং ধাৰা পঢ়িলে স্পষ্ট হই যে, আইনখনক সীমিত পৰিমাণেহে ৰেট্ৰস্পেক্টিভ (আগৰ তাৰিখৰ পৰা বলৱৎ হোৱা)প্ৰভাৱ পেলাই আৰু কাৰ্যকৰীকৰণৰ বিচাৰ প্ৰক্ৰিয়া, আপীলসমূহ এই প্ৰভাৱৰ পৰা বাদ দিয়া হৈছিল আৰু এই ডিক্ৰীবোৰ গৃহীত হোৱা সময়ৰ বলৱৎ থকা আইনখনৰ বিধানসমূহৰ দ্বাৰা পৰিচালিত হ'ব। ধাৰা ৫০ৰ সামৰণিত উল্লেখ থকা- "আৰু তাৰ পিছত এই আইনৰ সকলো বিধান আৰু ইয়াৰ অধীনত নিৰ্মিত নিয়মসমূহ তেনে সকলো গোচৰ আৰু বিচাৰ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব"- এইউক্তিয়ে সম্পূৰ্ণৰূপে সমৰ্থন কৰে। মিষ্টাৰ ডাফথাৰীয়ে সেই কথাৰ দাবী কৰিছিল- ধাৰা ৫০ৰ মূল উদ্দেশ্য আছিল- বিচাৰধীন গোচৰসমূহ আইনৰ অধীনত ক্ষেত্ৰাধিকাৰ থকা আদালতলৈ শুনানিৰ বাবে হস্তান্তৰ কৰাৰ ব্যৱস্থা কৰা আৰু ধাৰাটোৱে আইনখনৰ ৰেট্ৰস্পেক্টিভ (আগৰ তাৰিখৰ

[1] এ.আই.আৰ.১৯৪৯বোম.২১০

পৰা বলৱৎ হোৱা)প্ৰভাৱৰ দিশত একো কোৱা নাই, আৰু সেয়ে ভাড়াতীয়াক সুৰক্ষা প্ৰদান কৰা আইনখনৰ ধাৰা নং ১২ ৰেট্ৰস্পেক্টিভ (আগৰ তাৰিখৰ পৰা বলৱৎ হোৱা)প্ৰভাৱৰ বুলি ধৰিব লাগে। আমাৰ মতত এই বিতৰ্ক সঠিক নহয়। ৫০নং ধাৰাক কেৱল বিচাৰধীন গোচৰসমূহৰ সৈতে বিবেচনা কৰাৰ অধিকাৰ থকা আদালতলৈ হস্তান্তৰ কৰা ব্যৱস্থা থকা ধাৰা বুলি বৰ্ণনা কৰিব নোৱাৰি। আনহাতে, ই নতুন আইনৰ এক "বাতিল কৰা" ধাৰা। ইয়াৰ দ্বাৰা পূৰ্বৰ দুখন বিধি বাতিল কৰা হয়, আৰু বাতিল কৰাৰ সময়ত ইয়াত উল্লেখ কৰা হৈছে যে, বাতিলৰ ফলত "কাৰ্য্যকৰীকৰণ আৰু আপীল"ত কোনো প্ৰভাৱ নপৰে আৰু আইনখনৰ বিধানসমূহ সকলো বিচাৰধীন গোচৰৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব, যিবোৰ আইনখনৰ ২৮নং ধাৰাত তেওঁলোকৰ শুনানি গ্ৰহণ কৰিবলৈ অধিকাৰ থকা আদালতলৈ হস্তান্তৰ কৰা হ'ব। আমিও সম্পূৰ্ণবিচাৰপীঠৰ মতামতৰ সৈতে একমত হ’বলৈ বাধ্য যে, ধাৰা ১২ প্ৰস্পেক্টিভ (সাম্ভাব্য প্ৰভাৱ থকা) হয় আৰু ৰেট্ৰস্পেক্টিভ (আগৰ তাৰিখৰ পৰা বলৱৎ হোৱা) প্ৰভাৱৰ নহয়। উপ-ধাৰা(২)-এ স্পষ্টভাৱে কইযে, আইনখন বলৱৎ হোৱাৰ পিছত উত্থাপন কৰা গোচৰৰ সৈতে জড়িত হ’ব পাৰে। আইনখন বিধি বহীত নথিভূক্ত কৰাৰ সময়ত ইতিমধ্যে বিচাৰাধীন হৈ থকা গোচৰৰ ক্ষেত্ৰত উপ-ধাৰা (২) প্ৰযোজ্য নহ’ব। উপ-ধাৰা (৩) অধীনত ভাড়াতীয়াই গোচৰৰ শুনানিৰ সময়ত ভাড়া দিব বা নিবিদা দিয়াৰ অধিকাৰ প্ৰদান কৰা গোচৰৰ ক্ষেত্ৰতহে প্ৰযোজ্য, যিবোৰ আইনখন কাৰ্যকৰী হোৱাৰ পিছত আৰম্ভ হ'ব পাৰে। কাৰণ ইয়াত "এনে গোচৰত" বুলি কোৱা হৈছে আৰু "কোনো গোচৰত" বুলি কোৱা হোৱা নাই। "এনে গোচৰ"- এই উক্তিয়ে কেৱল ধাৰা ১২-ৰ উপধাৰা (২) আৰু (৩)-ত উল্লেখ কৰা গোচৰ হ'ব পাৰে।

ফলস্বৰূপ আমাৰ মতত উচ্চ ন্যায়ালয়ে এই গোচৰৰ আপীলৰ ক্ষেত্ৰত ১৯৪৭চনৰ আইন LVII ৰ বিধানসমূহ ভুলকৈ প্ৰয়োগ কৰিছিল আৰু সেই ভিত্তিত অনুমতি দিয়াৰ ক্ষেত্ৰত ভুল কৰিছিল। এইক্ষেত্ৰত বিদ্বান অধিবক্তাৰ বিকল্প যুক্তি চালিজাৰি চোৱাটো এইবাবে অপ্ৰয়োজনীয় যে, এই আপীলৰ সিদ্ধান্ত ১৯৪৯চনৰ আইন নং III-ৰ বিধান অনুসৰি হ'ব লাগে। সেয়েহে উচ্চ ন্যায়ালয়ে বাদীৰ গোচৰ খাৰিজৰ দ্বাৰা ডিক্ৰী একাশৰীয়া কৰি খৰচৰ সৈতে বাদীৰ গোচৰৰ ডিক্ৰী দিয়া বিচাৰ ন্যায়াধীশৰ ডিক্ৰী পুন:সংস্থাপন কৰে।

আপীলৰ অনুমতি।

আপীলকাৰীৰ এজেন্ট(প্ৰতিনিধি): নৌনিট লাল।
উত্তৰদাতাৰ এজেন্ট(প্ৰতিনিধি): ৰাজিন্দৰ নাৰায়ণ।

---

অনুবাদ: শ্ৰীমতী জ্ঞানশ্ৰী কলিতা।

পৰীক্ষণ: ড. অৰ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়।

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"